জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭০/২০২২

# অৰুণাচল প্ৰদেশ গঠিত হোৱাৰ সোণালী জয়ন্তী বৰ্ষৰ সামৰণি তথা ৰাজ্যৰ মৰ্যাদা প্ৰাপ্তিৰ ৩৬ সংখ্যক অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

## অহা এপ্ৰিল মাহৰ পৰা অসম-অৰুণাচল প্ৰদেশৰ সীমা সমস্যা সমাধানৰ বাবে আনুষ্ঠানিক আলোচনা আৰম্ভ হ'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২০ ফেব্ৰুৱাৰী ঃ** অৰুণাচল প্ৰদেশ গঠনৰ সোণালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠান তথা ৰাজ্যৰ মৰ্যাদা প্ৰাপ্তিৰ ৩৬ সংখ্যক দিৱস উপলক্ষে আজি অৰুণাচল প্ৰদেশৰ নাহৰলগনৰ ইউপিয়াস্থিত গোল্ডেন জুবিলি আউটডৰ'ৰ ষ্টেডিয়ামত আয়োজিত এক বৰ্ণাঢ্য অনুষ্ঠানত মুখ্য অতিথি হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে অৰুণাচল প্ৰদেশবাসীক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। অসম আৰু অৰুণাচল প্ৰদেশৰ মাজত একতা আৰু ভাতৃত্ববোধৰ বান্ধোন অধিক শক্তিশালী কৰাৰ বাবে অসম চৰকাৰে দৃঢ়তাৰে কাম কৰি যাব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে দুয়োখন ৰাজ্যৰ সীমা বিবাদৰ সমাধানৰ বাবে অহা এপ্ৰিল মাহৰ পৰা অসম আৰু অৰুণাচল চৰকাৰৰ মাজত আলোচনা অনুষ্ঠিত হ'ব। এই আলোচনাৰ জৰিয়তে দুয়োখন ৰাজ্যৰ মাজত সীমা বিবাদ সমাধানৰ বাবে আন্তৰিক প্ৰয়াস চলোৱা হ'ব। মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰি কয় যে আলোচনাৰ মাধ্যমেৰে চলিত বছৰতে বহু পৰিমাণে সীমা বিবাদ সমস্যা সমাধান কৰাটো সম্ভৱ হৈ উঠিব। তেওঁ লগতে কয় যে মেঘালয়ৰ সৈতে সীমা বিবাদ মীমাংসা কৰাৰ বাবে দুয়োখন চৰকাৰে সৌহাদ্যপূৰ্ণ আৰু আন্তৰিকতাৰে আলোচনাত অগ্ৰসৰ হোৱাৰ ফলত আজি ৬ টা বিবদমান অঞ্চলৰ সীমা সমস্যা সমাধানৰ দিশত অগ্ৰসৰ হৈছে। উত্তৰ পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আন্তৰিকতাৰে প্ৰয়াস চলাই আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সমগ্ৰ অঞ্চলটোৱে আজি উন্নয়নৰ এক নতুন দিশেৰে অগ্ৰসৰ হ'বলৈ সক্ষম হৈছে।

অৰুণাচল প্ৰদেশৰ বৰ্ণাঢ্য সাংস্কৃতিক জীৱনধাৰাই ৰাজ্যখনৰ বৈভৱশীল সাংস্কৃতিক সত্তাৰ পৰিচয় দাঙি ধৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আজি ৰাজ্যখনে ক্ষিপ্ৰ উন্নয়নৰ দিশেৰে গতি কৰিবলৈ সক্ষম হৈছে। অৰুণাচল প্ৰদেশৰ ইতিহাস অতি সমৃদ্ধ আৰু ইয়াৰ পুৰাতাত্ত্বিক সমলসমূহে ৰাজ্যখনৰ বৈভৱশীল দিশ প্ৰকাশি আহিছে বুলিও তেওঁ কয়। অসম আৰু অৰুণাচলৰ মাজত এক সুগভীৰ সম্পৰ্ক আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰতৰত্ন ড° ভূপেন হাজৰিকাই অৰুণাচলৰ সমাজ, ঐতিহ্য

আৰু বৰ্ণাঢ্য সাংস্কৃতিক জীৱন শৈলীক সংগীতৰ মাধ্যমেৰে তুলি ধৰি সাংস্কৃতিক একতা আৰু মিলনৰ ঐক্যতান বোঁৱাই গৈছে। ইন্দিৰা মিৰি, আনন্দ প্ৰসাদ বৰঠাকুৰৰ দৰে কেইবাগৰাকী নমস্য ব্যক্তিয়ে অৰুণাচলৰ শৈক্ষিক আৰু সমাজ জীৱনলৈ অনৰদ্য বৰঙণি যোগাই গৈছিল বুলিও তেওঁ কয়। লুম্বেৰ দাই আৰু য়েচে দৰজে ঠংছিয়ে অসমীয়া সাহিত্য জগতলৈ অনবদ্য বৰঙণি আগবঢ়াইছে বুলিও তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে দেশৰ বিকাশৰ সৈতে উত্তৰ পূৰ্বাঞ্চলে আজি সমানে খোজ পেলাবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজেজুক 'টীম নৰ্থ ইষ্ট'ৰ নেতৃত্ব লৈ অঞ্চলটোক অধিক বিকশাই তোলাৰ বাবে কাম কৰি যাবলৈ আহ্বান জনায়।

আজিৰ এই অনুষ্ঠানত অৰুণাচল প্ৰদেশৰ ৰাজ্যপাল ব্ৰিগেডিয়াৰ (ড°) বি ডি মিশ্ৰ (অৱসৰপ্ৰাপ্ত), অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু, অৰুণাচল প্ৰদেশৰ উপ-মুখ্যমন্ত্ৰী চৌনা মে, কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজেজু, অৰুণাচল প্ৰদেশ বিধান সভাৰ অধ্যক্ষ পাচাং দৰজে চোনা, তিনিগৰাকী প্ৰাক্তন মুখ্যমন্ত্ৰী, সাংসদ, বিধায়ক তথা অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

অনুষ্ঠানত অৰুণাচল প্ৰদেশৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানৰ লগতে পৰম্পৰাগত খেল-ধেমালিও প্ৰদৰ্শন কৰা হয়।

**পুঃডেঃ**
**২০-২-২০২২**